بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২২ চনৰ ১৫ জুলাই তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন) ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী সম্পৰ্কে ঈমান বৰ্দ্ধক বৰ্ণনা**

أَشۡهَدُ أَنۡ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُولُهُ أَمَّا بَعۡدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ ـ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ـ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ ـ الرَّحۡمٰنِ الرَّحِيۡمِ ـ مٰلِكِ يَوۡمِ الدِّيۡنِ ـ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ ـ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ـ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে মুৰতদ বিদ্ৰোহী সকলৰ বিৰুদ্ধে লোৱা মুছলমান সকলৰ পদক্ষেপ সম্পৰ্কে বৰ্ণনা চলি আছে। হজৰত মুহাজিৰ (ৰাঃ)য়ে যেতিয়া চানাআত মুৰতদ সকলৰ বিৰুদ্ধে বিজয় লাভ কৰাৰ পাছত তাত আধিপত্য বিস্তাৰ কৰে তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)ক এই কাৰ্য্যপ্ৰণালী সম্পৰ্কে খবৰ দিয়ে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে মুৱাজ বিন জবল (ৰাঃ)আৰু ইয়ামিনৰ অন্যান্য প্ৰতিনিধি বৰ্গক এয়া অনুমতি দিয়ে যে তেওঁলোকে বিচাৰিলে ইয়ামিনত ৰৈ যাব পাৰে নাইবা নিজৰ ঠাইত বেলেগ কোনোবাক দায়িত্ব বুজাই দি মদিনালৈ ওভতি আহিব পাৰে। এই অনুমতি পোৱাৰ লগে লগে সকলোৱেই মদিনালৈ ওভতি আহিছিল। কিন্তু হজৰত মুহাজিৰ (ৰাঃ)ক আদেশ দিয়া হৈছিল যে তেওঁ ইকৰামা (ৰাঃ)ৰ লগত মিলি হুজৰ মৌতত গৈ জিয়াদ বিন লবিদক লগ দিব লাগে। কিন্দাহ কবিলাৰ মুৰতদ আৰু জাকাত অস্বীকাৰ কৰা লোক সকলৰ বিৰুদ্ধে পদক্ষেপ ল'বলৈ হজৰত জিয়াদ বিন লবিদ (ৰাঃ)য়ে তালৈ গৈ পায়। হজৰত মুহাজিৰ বিন আবু উমিয়া (ৰাঃ)য়ে চানাআৰ পৰা আৰু হজৰত ইকৰামা (ৰাঃ)য়ে অবিয়ানৰ পৰা হজৰত আবু বক্কৰ (ৰাঃ)ৰ আদেশ অনুযায়ী হুজৰ মৌতলৈ যাত্ৰা কৰে। পিছত দুয়োটা দলৰ লোকে আহি মাৰিব নামক ঠাইত একেলগ হয়।

কিন্দাহ কবিলাৰ এজন ডেকায় হজৰত জিয়াদ (ৰাঃ) ভুলতে নিজৰ ভায়েকৰ এটা উটনী জাকাত হিচাপে আগবঢ়াই দিয়ে। হজৰত জিয়াদ (ৰাঃ) য়ে সেই উটনীক অগ্নি দাগ কৰি জাকাতৰ হোৱা বুলি চিহ্নিত কৰে। এই ঘটনাৰ পিছত সেই ডেকা জনে আহি এই উটনী সলাই আন এটা উটনী দিবলৈ

বিচাৰে কিন্তু হজৰত জিয়াদে সেই কথাত মান্তি নহয়। তেতিয়া ডেকাজনে নিজৰ কবিলাৰ লোক সকলৰ পৰা সহায় বিচৰাত আবু ছামিত আৰু তাৰ লগৰীয়া সকলে আহি বলপূৰ্বক ভাৱে সেই উটনী এৰি দিয়ে। এই কাণ্ড চাই হজৰত জিয়াদ (ৰাঃ)য়ে আবু ছামিত আৰু তাৰ লগৰীয়া সকলক গ্ৰেপ্তাৰ কৰি পেলায় আৰু উটনী জনীকও আকৌ বান্ধি নিজৰ অধীনত ৰাখে। তেতিয়া তেওঁলোকে বেলেগ এটা কবিলাৰ লোকৰ ওচৰত সহায় বিচাৰে। সেই কবিলাৰ লোকে সহায় কৰিবলৈ আগবাঢ়ি অহাত হজৰত জিয়াদ (ৰাঃ)য়ে সিহঁতৰ ওপৰত আক্ৰমণ চলাই বহু কেইজন লোকক হত্যা কৰে আৰু কিছুমানে পলাই প্ৰাণ ৰক্ষা কৰে। হজৰত জিয়াদ (ৰাঃ)য়ে সিহঁতৰ গ্ৰেপ্তাৰ কৰি লোৱা লোক সকলক মুকুলাই দিয়ে কিন্তু তেওঁলোকে মুক্ত হোৱাৰ পিছত হজৰত জিয়াদ (ৰাঃ)ৰ বিৰুদ্ধে যুদ্ধৰ প্ৰস্তুতি ল'বলৈ আৰম্ভ কৰে। পৰিকল্পনা অনুযায়ী বনু আমৰ আৰু বনু হাৰিছ আৰু আশআছ বিন কায়েছ আৰু ছুমেত বিন আছুদ আদি কৰি সকলোৱে জাকাত দিবলৈ অস্বীকাৰ কৰি দিয়ে আৰু মুৰতদ হৈ যায়। এনে অৱস্থা চাই হজৰত জিয়াদ (ৰাঃ)য়ে বনু আমৰৰ ওপৰত আক্ৰমণ চলায়, বাটতে আশআছ আৰু বনু হাৰিছৰ লোক সকলে মুছলমান সকলৰ ওপৰত আক্ৰমণ চলাই সিহঁতৰ কয়েদী হৈ থকা লোক সকলক খালাচ কৰি লৈ যায়। এই ঘটনাৰ পিছত ওচৰে-পাজৰে থকা কেইবাটাও কবিলাৰ লোক সকলে আহি এওঁলোকৰ লগত যোগ দিয়ে আৰু তেওঁলোকেও মুৰতদ হোৱা বুলি ঘোষণা কৰে।

কিন্দাহ কবিলাৰ লোক সকলে হুজৰ মৌতৰ ওচৰত অৱস্থিত নজিৰ নামক এটা দুৰ্গত গৈ লয়। ইফালে হজৰত জিয়াদ (ৰাঃ), হজৰত মুহাজিৰ (ৰাঃ) আৰু হজৰত ইকৰামা (ৰাঃ)ৰ মিলিত পাঁচ হাজাৰ মুহাজেৰিণ আৰু আনছাৰ চাহাবা আৰু অন্যান্য কবিলা বিলাকৰ বৃহৎ বাহিনী চাই দুৰ্গত থকা লোক সকলে ভয়তে পেপুৱা লাগিছিল। অৱৰোধ হৈ থকা লোক সকলৰ চৰদাৰ আশআছে নিজৰ আৰু নিজৰ ন জন লগৰীয়াৰ বাবে নিৰাপত্তা বিচাৰি দুৰ্গৰ দুৱাৰ খুলি দিয়ে। তাতে তুমুল ৰণ সংগঠিত হোৱাৰ পিছত মুছলমান সকলে বিজয় লাভ কৰে। হজৰত ইকৰামা (ৰাঃ)য়ে বিজয়ৰ খবৰ আৰু যুদ্ধ বন্দী সকলক লগত লৈ হজৰত আবু বক্কৰ (ৰাঃ)ৰ দৰবাৰত গৈ উপস্থিত হয়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে সকলো কয়েদীক মুক্ত কৰি দিয়ে আৰু ইয়াৰে পৰা আশআছ নামৰ লোকজনে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত ইৰাক আৰু ছিৰিয়াত সংগঠিত হোৱা যুদ্ধত বিশেষ ভূমিকা পালন কৰিছিল। যাৰ ফলত আছআছৰ পদন্নোতি হৈছিল। হজৰত মুহাজিৰ (ৰাঃ) আৰু হজৰত ইকৰামা (ৰাঃ)য়ে সম্পূৰ্ণ নিৰাপত্তা প্ৰতিষ্ঠিত নোহোৱা লৈকে হুজৰমৌত আৰু কিন্দাহত অৱস্থান কৰিছিল। মুৰতদ বিদ্ৰোহী সকলৰ লগত সংগঠিত হোৱা যুদ্ধৰ এয়াই আছিল শেষ যুদ্ধ, ইয়াৰ পিছৰ পৰা আৰৱত বিদ্ৰোহৰ অন্ত পৰিছিল আৰু সকলো কবিলা ইছলামী শাসনৰ অধীনস্থ হৈ পৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মৌলানা মদুদী চাহাবে লিখিছে যে চাহাবা সকলে প্ৰত্যেক সেইজন ব্যক্তিৰ বিৰুদ্ধে যুদ্ধ কৰিছে; যিজনেই আঁ-হজৰত (ছাঃ)ৰ পিছত নবুয়তৰ

দাবী কৰিছে। কিন্তু এই লিখনী চাহাবা সকলৰ ভাষ্য বিৰোধী। মৌলানা চাহাবে ইছলামী লিটাৰেচাৰ সম্পৰ্কে গভীৰ জ্ঞান থকাৰ দাবী কৰে। কিন্তু তেখেতে যদি এই সম্পৰ্কে মত প্ৰকাশ কৰাৰ আগতে ইছলামী ইতিহাস ভালদৰে পঢ়ি চাই ললেহেঁতেন তেন্তে তেখেতে জানিব পাৰিলে হয় যে মুছায়লিমা কাজ্জাব আছুদ আনছি ছজাহ বিনতে হাৰিছ, তুলায়হা বিন খুয়েলিদ আছদি আদি কৰি সকলোৱে এনেকুৱা লোক আছিল, যিসকলে মদিনাৰ শাসনৰ আনুগত্যত থাকিবলৈ অস্বীকাৰ কৰি নিজৰ নিজৰ অঞ্চলত স্বাধীনতাৰ ঘোষণা কৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে লিখিছে যে চাহাবা সকলে যিবিলাক লোকৰ বিৰুদ্ধে যুদ্ধ কৰিছিল তেওঁলোক সকলোৱেই ইছলামী শাসনৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। ক'ৰ দিবলৈ অস্বীকাৰ কৰিছিল এনেকি মদিনাৰ ওপৰত আক্ৰমণও চলাইছিল।  যিসকল লোকে খৰ-ধৰকৈ ইছলামী ইতিহাসৰ উদ্ধৃতি আগবঢ়ায় তেওঁলোকে ধৰিবলৈ গলে ইছলামৰ একো সেৱা কৰি থকা নাই। যদি তেওঁলোকে ইছলামৰ খিদমত কৰিব বিচাৰে তেন্তে তেওঁলোকে সত্যক আগতে প্ৰাধান্য দিব লাগিব আৰু ভুল বৰ্ণনা আৰু ভুল ঘটনা এটাৰ বৰ্ণনা দিয়াৰ পৰা বিৰত থকা উচিত।

আন এজন ইতিহাসবিদে লিখিছে যে তেতিয়া আৰবৰ সকলো ঠাইতে বিদ্ৰোহৰ জুই নুমাই গৈছিল আৰু সকলো মুৰতদক দমন কৰা হৈছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে দেশজুৰি মূৰ দাঙি উঠা বিদ্ৰোহ বিবাদ যি পৰিকল্পনা আৰু প্ৰজ্ঞাৰে নিৰ্মুল কৰিছিল সেয়া তেখেত (ৰাঃ)ৰ উচ্চ বুদ্ধি মত্তাৰ আয়না স্বৰূপ বুলিব পাৰি আৰু স্পষ্ট দেখিবলৈ পোৱা যায় যে কেনেদৰে পদে পদে তেখেত (ৰাঃ)ৰ ওপৰত ইলাহি সহায় অৱতীৰ্ণ হৈছিল। এবছৰতকৈ কম সময়ৰ ভিতৰতে এনেকুৱা জটিল বিবাদ আৰু মুৰতদ সকলৰ বিদ্ৰোহ দূৰীভূত কৰা আৰু আৰৱ ভূমিত ইছলামী শাসন দ্বিতীয়বাৰলৈ প্ৰতিষ্ঠা কৰাটো অতি বিস্ময়কৰ কৃতিত্ব। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে ইছলামৰ দ্বিতীয় বিজয় ৰচিত হোৱাত বৰ আনন্দিত হৈছিল যদিও সেই আনন্দৰ মাজত কোনো ধৰণৰ অহংকাৰ আৰু আত্মম্ভৰিতাৰ লেশমাত্ৰও নাছিল; কাৰণ তেখেত (ৰাঃ)য়ে জানিছিল যে এয়া যিবোৰ সংগঠিত হৈছে, সেয়া একমাত্ৰ আল্লাহ তা'লাৰ কৃপা আৰু কৰুণাৰ বলত সম্ভৱ হৈছে। তেখেতৰ কোনো শক্তি নাছিল যে তেখেতে এই সামান্য সংখ্যক মুছলমানৰ জৰিয়তে গোটা আৰবৰ মুৰতদ বিদ্ৰোহৰ সবল ফৌজৰ মোকাবিলা কৰি সিহঁতক পৰাস্ত কৰি ইছলামী জগতখন আকৌ সুন্দৰকৈ প্ৰতিষ্ঠা কৰিব পাৰিব।

মুৰতদ সকলৰ বিদ্ৰোহ দমনৰ যুদ্ধ অভিযান শেষ হোৱাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে ভৱিষ্যতত ল'ব লগীয়া পদক্ষেপ সম্পৰ্কে চিন্তা-চৰ্চাত মগ্ন আছিল যে আৰৱ আৰু ইছলামৰ হিংস্ৰ বৈৰী ইৰাণ আৰু ৰোম সাম্ৰাজ্যৰ আগ্ৰাসনৰ পৰা ৰক্ষা পাবলৈ কেনে কাৰ্য্যপ্ৰণালী অৱলম্বন কৰা যায় কাৰণ আঁ-হজৰত (ছাঃ)ৰ জীৱদশাতেই এই দুটা শক্তিয়ে আৰবক নিজৰ অধীনস্থ কৰি ল'ব বিচাৰিছিল আৰু যেতিয়া তেখেত (ছাঃ)ৰ মৃত্যু হৈ গৈছিল আৰু বহু অঞ্চলত আৰু কবিলা বিলাকত মুৰতদ বিদ্ৰোহৰ জুই দপদপাই উঠি গোটা মদিনাক নিজৰ কবলত লৈ বেৰি ধৰিছিল। এনেতে এই অৱস্থাৰ

সুযোগ লৈ হৰকিলৰ ফৌজ ছিৰিয়াত আৰু ইৰাণী ফৌজ ইৰাকত জমা হ’বলৈ লয়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে ইফালে হজৰত খালিদ বিন অলিদ (ৰাঃ)লৈ লিখিলে যে ইৰাকলৈ গৈ তাৰে লোক সকলক নিজৰ লগত মিলাই লৈ তেওঁলোকক আল্লাহৰ ফালে আমন্ত্ৰণ দিয়া। যদি তেওঁলোকে সেই আমন্ত্ৰণ গ্ৰহণ কৰে তেন্তে ঠিকেই আছে আৰু যদি নহয় তেন্তে তেওঁলোকৰ পৰা জিজিয়া আদায় কৰিবা আৰু যদি তেওঁলোকে জিজিয়া দিবলৈ অমান্তি হয় তেন্তে তেওঁলোকৰ লগত যুদ্ধ কৰিবা।

হজৰত খালিদ বিন অলিদ (ৰাঃ)ৰ সৈন্য সংখ্যা আছিল নিচেই তাকৰ কাৰণ এফালে সৈন্য সংখ্যাৰ ডাঙৰ অংশ ইয়ামামাৰ যুদ্ধত আহত নিহত হৈছিল আকৌ আনফালে হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিৰ্দেশ দিছিল যে সৈন্য দলত যোগদান কৰিবলৈ কাকো জোৰ জবৰদস্তি কৰিব নালাগে। আনহাতে প্ৰাক্তন মুৰতদ সকল, যিসকলে ঘূৰি আহি ইছলাম গ্ৰহণ কৰিছে, খলিফা ওয়াক্তৰ অনুমতি বিহনে যাতে তেওঁলোকক ইছলামী সৈন্য বাহিনীত ভৰ্তি কৰা নহয়। গতিকে হজৰত খালিদ (ৰাঃ)ৰ সৈন্যবল বিচাৰি লিখা আবেদন মৰ্মে হজৰত আবু বক্কৰ (ৰাঃ)য়ে কেৱল মাত্ৰ এজন ব্যক্তি কিয়াকা বিন আমৰক পঠাই দিয়ে। এই ঘটনা চাই লোকে আচৰিত হোৱাত হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল যে যি সৈন্য দলত কিয়াকাৰ দৰে লোক থাকিব সেই দলটো কেতিয়াও পৰাজিত নহ’ব। ইয়াৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে খালিদ (ৰাঃ)লৈ লিখি পঠিয়ায় যে তেওঁ সেই লোক সকলক নিজৰ সৈন্য দলত ভৰ্ত্তি কৰাই লওঁক যিসকলে ৰছুলুল্লাহ (ছাঃ)ৰ পিছত নিয়ম মতে ইছলামত সুপ্ৰতিষ্ঠিত আছে আৰু যিসকলে মুৰতদ সকলৰ বিৰুদ্ধে যুদ্ধত অংশ গ্ৰহণ কৰিছিল। এই পত্ৰ পোৱাৰ পিছত হজৰত খালিদ (ৰাঃ)য়ে নিজৰ সৈন্য দলক শৃংখলাবদ্ধ কৰিবলৈ আৰম্ভ কৰে।

ইৰাকৰ খেতি-বাতি কৰি খোৱা লোকৰ সম্পৰ্কে হজৰত আবু বক্কৰ (ৰাঃ)য়ে পালন কৰা বুদ্ধিমত্তা সম্পৰ্কে লিখিছে যে আৰবীয়ান সকলে ইৰাকৰ মাটিত খেতি-বাতি কৰাৰ কাম কৰিছিল। ইৰাকী জমিদাৰ সকলে দৰিদ্ৰ আৰবীয়ান সকলৰ ওপৰত বৰ জুলুম অত্যাচাৰ কৰিছিল। আৰু তেওঁলোকৰ লগত দাসতকৈও বেয়া আচৰণ কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে আদেশ দিছিল যে যুদ্ধৰ সময়ত যেন সেই খেতিয়ক সকলক কোনো ধৰণৰ কষ্ট দিয়া নহয় আৰু যেন কোনো ধৰণৰ বেয়া আচৰণ কৰা নহয়। তেওঁলোকক উপলব্ধি কৰাই দিব লাগিব যে ইয়াত আৰবীয়ান শাসন প্ৰতিষ্ঠা হলে তেওঁলোকৰ অত্যাচাৰীত জীৱনৰ অন্ত পৰিব আৰু তেওঁলোকৰ নিজৰ সম্প্ৰদায়ৰ লোকৰ জৰিয়তে প্ৰকৃত ন্যায়, স্বাধীনতা সহায় লাভ কৰিব পাৰিব। হজৰত আবু বক্কৰ (ৰাঃ)ৰ এই প্ৰজ্ঞাবান কৌশলে মুছলমান সকলৰ বৰ উপকাৰ সাধন কৰিছিল। মুছলমান সকলৰ বিজয়ৰ বাট প্ৰশস্ত হৈ পৰিছিল আৰু এই শংকাও দূৰ হৈছিল যে আক্ৰমণৰ বাটত আৰু কোনো হেঙাৰ নাহে বা পিছৰ পৰা আক্ৰমণ হৈ বাট বন্ধ নহয়। হুজুৰ আনোৱাৰ (আইঃ)য়ে অৱশেষত কয় যে যুদ্ধৰ বৰ্ণনা আৰু বিজয় সম্পৰ্কে ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ’ব।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْهٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR [aba] 15 JULY 2022**

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................
..............................................................................................................................
..............................................................................................................................
..............................................................................................................................
..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**